# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-05-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। পশ্চিমবংগৰ জ্যেষ্ঠ বিজেপি নেতা শুভেন্দু অধিকাৰীয়ে আজি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব।

২। অসমত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে অহা ১২ মে'ত তৃতীয়টো কাৰ্যকালৰ বাবে শপতগ্ৰহণ কৰিব।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত তিনিদিনীয়া যুদ্ধবিৰতি ঘোষণা কৰিছে।

৪। ছিকিমত কৃত্ৰিম বুদ্ধিমত্তা শক্তিশালী কৰাৰ উদ্দেশ্যে কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ প্ৰস্তাৱ লোৱা হয়।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি কলকাতা নাইট ৰাইডাৰ্ছে, ডেলহি কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে।

ooooo

পশ্চিমবংগৰ জ্যেষ্ঠ বিজেপি নেতা শুভেন্দু অধিকাৰীয়ে আজি ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠান কলকাতাৰ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহৰ লগতে বিজেপিৰ জ্যেষ্ঠ নেতা আৰু বিজেপিশাসিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী তথা উপ-মুখ্যমন্ত্ৰীসকলে শপতগ্ৰহণ অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা আছে।

ইয়াৰ পূৰ্বে শুভেন্দু অধিকাৰীক বিধায়িনী গোটৰ নেতা হিচাপে নিৰ্বাচিত কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত কলকাতাত বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত সভাপতিত্ব কৰি শ্ৰীশ্বাহে কয়, যে সকলো প্ৰস্তাৱ শুভেন্দু অধিকাৰীৰ সপক্ষে লাভ কৰা হৈছে। বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ পাছত শ্ৰীঅধিকাৰীয়ে পশ্চিমবংগৰ ৰাজ্যপাল আৰ এন ৰবিক সাক্ষাৎ কৰি ৰাজ্যখনৰ বিজেপি নেতৃত্বাধীন প্ৰথমখন চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। উল্লেখযোগ্য যে, বিধানসভা নিৰ্বাচনত বিজেপিয়ে ঐতিহাসিক জয় সাব্যস্ত কৰি টি এম চিৰ ১৫ বছৰীয়া শাসনৰ অন্ত পেলায়।

বিজেপি বিধায়িনী দলৰ নেতা হিচাপে নিৰ্বাচিত হোৱাৰ পাছত শুভেন্দু অধিকাৰীৰ গৃহ চহৰ পূৰ মেদিনীপুৰ আৰু তেওঁৰ সমষ্টি নন্দীগ্ৰামত উৎসৱ মুখৰ পৰিৱেশৰ সৃষ্টি হয়।

ooooo

অসমত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে অহা ১২ মে'ত তৃতীয়টো কাৰ্যকালৰ বাবে শপতগ্ৰহণ কৰিব। ইয়াৰ বাবে ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰকাশ কৰা

অনুসৰি, খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত নতুন চৰকাৰে শপতগ্ৰহণ কৰিব। শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰী তথা এন ডি এ শাসিত ৰাজ্যৰ মুখ্যমন্ত্ৰী, উপ-মুখ্যমন্ত্ৰীসকলৰ লগতে বিজেপিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব বুলি সভাপতিগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে কাইলৈ বিজেপিৰ বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং চাইনী উপস্থিত থাকি বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰিব বুলি বিজেপিৰ ৰাজ্যিক সভাপতিগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত তিনিদিনীয়া যুদ্ধবিৰতি ঘোষণা কৰিছে। এই যুদ্ধ বিৰতি আজিৰে পৰা ১১ মে'লৈ বলৱৎ থাকিব আৰু এই সময়ছোৱাত দুয়ো দেশৰ মাজত সকলো ধৰণৰ যুদ্ধ সম্বন্ধীয় কাৰ্যকলাপ বন্ধ থাকিব বুলি এটা বাৰ্তাত ৰাষ্ট্ৰপতি ট্ৰাম্পে উল্লেখ কৰে। ট্ৰাম্পে কয়, যে এই সাময়িক যুদ্ধ বিৰতি চুক্তিৰ জৰিয়তে দুয়ো দেশৰ মাজৰ এহেজাৰ বন্দীক প্ৰত্যাৰ্পণ কৰাৰ দিশটোও সামৰি লোৱা হ'ব। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে যুদ্ধ স্থায়ীভাৱে বন্ধ কৰাৰ বাবে আলোচনা চলি আছে। উল্লেখযোগ্য যে, প্ৰতি বছৰে ৯ মে'ত উদযাপন কৰি অহা বিজয় দিৱস ৰাছিয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বন্ধৰ দিন। এই দিনটোতেই পূৰ্বৰ ছোভিয়েট ইউনিয়নে দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত জাৰ্মানৰ নাজী বাহিনীৰ বিৰুদ্ধে জয়লাভ কৰিছিল আৰু ৰাছিয়াই ইয়াক মহান দেশপ্ৰেমমূলক যুদ্ধ হিচাপে আখ্যা দি আহিছে। এই দিনটোতে সেই সময়ৰ ছোভিয়েট ৰাছিয়াৰ হাজাৰ হাজাৰ শ্বহীদৰ স্মৰণেৰে বৰ্তমান ৰাছিয়াত সামৰিক পেৰেড প্ৰদৰ্শন কৰা হয়। অৱশ্যে শেহতীয়া পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি এইবেলি সামৰিক বাহিনীয়ে পেৰেডত অংশগ্ৰহণ নকৰে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে কালি গায়ানাৰ স্বাস্থ্যমন্ত্ৰীক সাক্ষা কৰে আৰু ইণ্ডিয়া-গায়ানা স্বাস্থ্য সম্পৰ্কৰ বিষয়ে আলোচনা কৰে। তিনিদিনীয়া ৰাষ্ট্ৰীয় ভ্ৰমণসূচী লৈ কেৰিবিয়ালৈ যোৱা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে স্বাস্থ্যমন্ত্ৰী ডাঃ ফ্ৰেংক এন্থনীক গায়ানাৰ জৰ্জ টাউনত সাক্ষাৎ কৰে। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত ড° জয়শংকৰ জামাইকালৈ গৈছিল আৰু তাৰপাছত ছুৰীনামলৈ যায়। ভ্ৰমণৰ অন্তিম পৰ্যায়ত মন্ত্ৰীগৰাকীয়ে ট্ৰিনিদাদ আৰু টেবেগ'লৈ যাব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে কালি বিস্ময় শৰ্মাৰ নেতৃত্বত দক্ষিণ এছিয়া প্ৰশান্ত মহাসাগৰীয়, মধ্যপ্ৰাচ্য আৰু উত্তৰ আফ্ৰিকা মণ্ডলৰ প্ৰতিনিধিসকলৰ সৈতে গঠিত এটা দলৰ লগত ল'ৰিয়েল গ্ৰুপৰ বৈঠকত মিলিত হয়। এটা বাৰ্তাত মন্ত্ৰী শ্ৰীগোৱেলে কয়, যে ভাৰতৰ পৰা সৌন্দৰ্যবৰ্ধক সামগ্ৰীসমূহৰ উৎস উৎপাদন আৰু ৰপ্তানী বৃদ্ধি কৰা আলোচনাৰ পিছত এই বৈঠক অনুষ্ঠিত হয়। শেহতীয়াকৈ ল'ৰিয়েল গ্ৰুপে হায়দৰাবাদত বিশ্বৰ সৰ্ববৃহৎ বিউটী টেক গ্ল'বেল কেপাচিটী চেণ্টাৰ মুকলি কৰাৰ পাছত ভাৰতত সৌন্দৰ্য বিষয়ক অধিক সুযোগ সৃষ্টি কৰাৰ পথ এই বৈঠকতে আলোচনা কৰা হয়।

০০০০০

ছিকিমত কৃত্ৰিম বুদ্ধিমত্তা শক্তিশালী কৰাৰ উদ্দেশ্যে গেংটকৰ নেচনেল ইন্সটিটিউট অব্ ইলেকট্ৰনিকছ্ এণ্ড ইনফ'ৰমেচন টেকন'ল'জী আৰু তথ্য প্ৰযুক্তি বিভাগৰ মাজত কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই চুক্তি মৰ্মে ৰাজ্যত কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ বাবে বিভাগ তথা প্ৰতিষ্ঠানটোৱে সমন্বয়েৰে কাম কৰি যাব। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে প্ৰস্তাৱিত কৃত্ৰিম বুদ্ধিমত্তা উৎকৰ্ষ কেন্দ্ৰ জৰিয়তে ৰাজ্যখনত কৃত্ৰিম বুদ্ধিমত্তা চালিত উদ্ভাৱণ, সামৰ্থ বিকাশ, প্ৰশিক্ষণ আৰু পৰিৱেশ তন্ত্ৰ উন্নয়নৰ বাবে কাম কৰাৰ লক্ষ্য নিৰ্ধাৰিত কৰা হৈছে। ইয়াৰ জৰিয়তে শিক্ষাৰ্থী, পেছাদাৰী, ষ্টাৰ্ট আপ, চৰকাৰী বিষয়া আৰু অংশীদাৰসকলৰ বাবে সুযোগৰ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে।

ooooo

ইজৰাইল আৰু লেবাননে আমেৰিকাৰ মধ্যস্থতাত অহা ১৪ আৰু ১৫ মে'ত দুদিনীয়া সময়সূচীৰে সামগ্ৰিক আলোচনাত মিলিত হ'ব। আমেৰিকাৰ সূত্ৰই জনোৱা অনুসৰি দুয়োখন দেশৰ প্ৰতিনিধিয়ে দেশ দুখনৰ জনসাধাৰণৰ শান্তি আৰু নিৰাপত্তাৰ বাবে বিভিন্ন দিশ সাঙুৰি সৰ্বাত্মক আলোচনাত মিলিত হ'ব। দুয়ো দেশৰ প্ৰতিনিধিৰ মাজত সীমান্ত অঞ্চল, মানৱীয় সাহায্য আৰু পুনৰ্বাসনৰ পথ নিৰ্ধাৰণ আৰু লেবাননৰ ভূ-খণ্ডত সাৰ্বভৌমত্ব অক্ষুন্ন ৰখা বিষয়ত আলোচনা হোৱাৰ সম্ভাৱনা আছে। লেবাননৰ কৰ্তৃত্ব সম্পূৰ্ণ ৰূপে পুনৰুদ্ধাৰ আৰু হিজবুল্লাহৰ সম্পূৰ্ণ নিৰস্ত্ৰীকৰণৰ ওপৰতে এই ব্যাপক শান্তি নিৰ্ভৰশীল হ'ব বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে।

ooooo

আকাশবাণীৰ বাতৰি বিভাগৰ বিশেষ অনুষ্ঠান পিপ'লচ পদ্মৰ অন্তৰ্গত ইয়াৰ পৰৱৰ্তী খণ্ডত ভাৰতত ৰেডিঅ' প্ৰসাৰৰ ক্ষেত্ৰখনত অগ্ৰণী ভূমিকা পালন কৰা ড° ৰামমূৰ্তি শ্ৰীধৰৰ সৈতে বাৰ্তালাপ প্ৰসাৰ কৰা হ'ব। এই অনুষ্ঠানটো আজি পুৱা ৯ বাজি ১০ মিনিটত আকাশবাণী গোল্ড যোগে প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো নিউজ অন এয়াৰ এপ আৰু ইউ টিউব চেনেল, নিউজ অন এয়াৰ অফিচিয়েলতো শুনিবলৈ পোৱা যাব।

ooooo

অসমত অহা ২ আগষ্টৰ পৰা দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে, দেশৰ বিভিন্ন অংশত লোকপিয়ল অনুষ্ঠিত হৈছে যদিও বিধানসভা নিৰ্বাচনৰ বাবে অসমত এতিয়ালৈকে এই প্ৰক্ৰিয়া আৰম্ভ হোৱা নাই।

দেশৰ ষোড়শ আৰু স্বৰাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হৈছে। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। প্ৰথম পৰ্যায়ত ঘৰৰ তালিকা প্ৰস্তুত কৰা হ'ব আৰু দ্বিতীয় পৰ্যায়ত জনসংখ্যাৰ গণনা কৰা হ'ব। ইয়াৰ বাবে অহা বছৰৰ পহিলা এপ্ৰিলক ভিত্তি তাৰিখ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। দেশত এইবাৰ প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হৈছে। এই প্ৰক্ৰিয়াত এনড্ৰইড আৰু আই অ' এছত উপলব্ধ মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হৈছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত কলকাতা নাইট ৰাইডাৰ্ছে, ডেলহি কেপিটেলছক ৮ উইকেটত পৰাস্ত কৰে। ১৪৩ ৰানৰ লক্ষ্য লৈ খেলি কলকাতা নাইট ৰাইডাৰ্ছে দুটা উইকেট

হেৰুৱাই ১৪ দশমিক ২ অভাৰত ১৪৭ ৰান কৰি বিজয় সাব্যস্ত কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ ফিন এলেনে ৪৭টা বলত ১০০ ৰান কৰি দলৰ স্থিতি শক্তিশালী কৰি তোলে। ফিন এলেনক প্লেয়াৰ অব্ দ্যা মেছ ঘোষণা কৰা হয়। কলকাতা নাইট ৰাইডাৰ্ছৰ এয়া হৈছে প্ৰতিযোগিতাখনত ক্ৰমাগতভাৱে চতুৰ্থ বিজয়। প্ৰথমে বেট ধৰি ডেলহি কেপিটেলছে ৮ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত ২০ অভাৰত ১৪২ ৰান সংগ্ৰহ কৰে। কলকাতা নাইট ৰাইডাৰ্ছৰ হৈ অনুকূল ৰয় আৰু কাৰ্তিক ত্যাগীয়ে দুটাকৈ উইকেট দখল কৰাৰ বিপৰীতে বৈভৱ আৰোৰা, সুনীল নাৰীনে আৰু কেমেৰন গ্ৰীণে এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে কলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই বিজয়ে দলটোক সপ্তম স্থানলৈ উন্নীত কৰে।

আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

০০০০০

চীনৰ ছুঝৌত চলি থকা এফ চি ১৭ বছৰ অনুৰ্ধ মহিলা এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত ভাৰতে কালি গ্ৰুপ-বিৰ অন্তিমখন খেলত লেবাননক ৪-০ গলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰি ইতিহাস ৰচনা কৰে। ভাৰতৰ হৈ প্ৰীতিকা বৰ্মন, আলভা দেৱী সেঞ্জাম আৰু জয়াই গল দিয়ে। এই প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিলে ভাৰতে ২০২৬ চনৰ ১৭ বছৰ অনুৰ্ধ ফিফা মহিলা বিশ্বকাপত স্থান লাভৰ নিশ্চয়তা অৰ্জন কৰিব।

০০০০০

**সমাপ্ত**